# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-04-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

ooooo

জম্মু-কাশ্মীৰৰ পহলগামৰ সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰতিগৰাকী ভাৰতীয়ই নিজৰ আপোনজনক হেৰুওৱাৰ দৰে পীড়া অনুভৱ কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে জম্মুৰ বেইচ্‌ৰণ বনাঞ্চলত আজি সুৰক্ষা পৰিস্থিতিৰ বুজ লৈ এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে অঞ্চলটোত কালি সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গক এইবুলি আশ্বাস দিয়ে যে নিৰীহ লোকৰ প্ৰাণ কাঢ়ি লোৱা সন্ত্ৰাসবাদীসকলক কোনো কাৰণতে ৰেহাই দিয়া ন'হব। ভাৰতে সন্ত্ৰাসবাদীৰ ওচৰত শিৰনত নকৰে বুলি তেওঁ উল্লেখ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে এই কাপুৰুষালিভৰা আক্ৰমণৰ সৈতে জড়িতসকলক ৰেহাই দিয়া নহ'ব। ইয়াৰ পূৰ্বে শ্ৰীশ্বাহে শ্ৰীনগৰৰ আৰক্ষী নিয়ন্ত্ৰণ কক্ষত নিহতসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। তেওঁ লগতে আক্ৰমণত আহত হৈ অনন্তনাগৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি হৈ থকাসকলৰ স্বাস্থ্যৰ বুজ লয়। কালি পহলগামত সংঘটিত এই সন্ত্ৰাসবাদীৰ আক্ৰমণত  ২৬গৰাকী পৰ্যটকে প্ৰাণ হেৰুৱাইছে। নিহতসকলৰ ভিতৰত বায়ুসেনা বাহিনীৰ কৰ্পোৰেল অৰুণাচল প্ৰদেশৰ টাগে হাইলিয়াঙো আছে। নিহত সকলৰ মৃতদেহ বিশেষ বিমানেৰে শ্ৰীনগৰৰ পৰা তেওঁলোকৰ নিজ নিজ গাঁৱলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। আৰক্ষীয়ে তিনিজন আক্ৰমণকাৰীৰ স্কেট্‌ছ প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই এয়ে এই আক্ৰমণৰ তদন্তত দায়িত্ব গ্ৰহণ কৰিছে।

ooooo

পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ অসম ভ্ৰমণ বাতিল কৰা হৈছে। ৰাজ্যত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুয়ে কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে অসম ভ্ৰমণ কৰাৰ কথা আছিল। ২৫ এপ্ৰিলত ৰাষ্ট্ৰপতিগৰাকী উপস্থিত থাকিবলগীয়া শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কাৰ্যসূচীও পিছুৱাই দিয়া হৈছে। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে অনিবাৰ্য কাৰণবশত শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান অনুষ্ঠান পিছুৱাই দিয়া হৈছে বুলি প্ৰকাশ কৰিছে। অৱশ্যে একেটা দিনতে ৰাষ্ট্ৰপতি উপস্থিত থাকিবলগীয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠান ৰাষ্ট্ৰপতিৰ অনুপস্থিত স্বত্বেও সূচী অনুসৰিয়ে অনুষ্ঠিত হ'ব।

ooooo

বি টি আৰ বিধায়িনী পৰিষদৰ দুদিনীয়া বাজেট অধিবেশন আজিৰে পৰা অনুষ্ঠিত হৈছে। অধিবেশনৰ প্ৰথম দিনা আজি বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে ২০২৫-২৬ বৰ্ষৰ বাবে পৰিষদৰ ৮৪৩ কোটি

টকাৰ বাজেট উত্থাপন কৰে। বাজেটত চৰকাৰ পৰিচালিত অগ্ৰাধিকাৰ উন্নয়ন আঁচনিৰ অধীনত বিশেষ আবণ্টন দিয়া হৈছে। বাজেটখনক ভাইব্ৰেণ্ট বি টি আৰ অভিযানৰ পৰিকল্পনা বুলি অভিহিত কৰি মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়ে কয় যে বাজেটত বহনক্ষম উন্নয়ন, সুশাসন আৰু সামাজিক সম্প্ৰীতিৰ মাধ্যমেৰে বড়োলেণ্ড আৰ্হিক শক্তিশালী কৰাৰ লক্ষ্যৰে ব্যাপক পৰিকল্পনা সন্নিৱিষ্ট কৰা হৈছে। তেওঁ লগতে ভাষা, সংস্কৃতি আৰু সাহিত্য প্ৰসাৰৰ বাবে বড়োলেণ্ড সমূহীয়া উন্নয়ন বিভাগ স্থাপনৰ কথা ঘোষণা কৰে। চিৰাঙত বড়োলেণ্ড সমূহীয়া সংগ্ৰহালয় আৰু তামুলপুৰত বড়োলেণ্ড আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু হৰ্য বিদ্যালয় স্থাপনৰ বিষয়েও তেওঁ উল্লেখ কৰে। বিধায়িনী পৰিষদৰ বিৰোধী পক্ষৰ নেতা বি পি এফৰ দেৰহাছাত বসুমতাৰীয়ে বাজেটখনক লৈ অসন্তুষ্টি প্ৰকাশ কৰে। তেওঁ লগতে অঞ্চলটোৰ জনসাধাৰণৰ কল্যাণ সম্পৰ্কীয় উদ্বেগ দূৰ কৰাত বাজেটখন ব্যৰ্থ হোৱা বুলি সমালোচনা কৰে।

০০০০০

মন্ত্ৰীসভাই অসমীয়া ভাষাক ৰাজ্যভাষা হিচাপে প্ৰয়োগ কৰাৰ সিদ্ধান্ত গ্ৰহণৰ পাছত উচ্চ শিক্ষা বিভাগে অসমীয়া ভাষাত প্ৰথমখন বিজ্ঞপ্তি প্ৰকাশ কৰিছে। ৰাজ্যৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ স্নাতক শ্ৰেণীত নামভৰ্তিৰ বাবে কালি সমৰ্থ প'ৰ্টেলৰ মাধ্যমেৰে মানবিশিষ্ট কাৰ্য পৰিচালনা বিধি প্ৰকাশ কৰা হৈছে। এই প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত এটা সহায়ক আৰু সমন্বয় কেন্দ্ৰ স্থাপন কৰা হৈছে।

০০০০০

বৰপেটা জিলাত অহা ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে আজি জিলা প্ৰশাসনৰ উচ্চ পৰ্যায়ৰ এটা প্ৰতিনিধি দলে বেলট পেপাৰ ছপাশাল পৰিদৰ্শন কৰে। জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাৰ নেতৃত্বত দলটোৱে দায়িত্বপ্ৰাপ্ত ছপাশালে নিৰ্ধাৰণ কৰি দিয়া নিয়ম অনুসৰি বেলট পেপাৰ ছপোৱাৰ কাম হৈছে নে নাই পৰিদৰ্শন কৰে। লগতে ছপাশালে প্ৰয়োজনীয় গোপনীয়তা ৰক্ষা কৰিছে নে নাই সেয়াও বুজ লয়। জিলাখনত ইতিমধ্যে বেলট বাকচ বিতৰণৰ প্ৰথম পৰ্যায় সম্পূৰ্ণ হৈছে।

০০০০০

বসু দা নামেৰে জনপ্ৰিয়, অভিনেতা ফেইলাও বসুমতাৰীৰ অন্ত্যেষ্টিক্ৰিয়া আজি বাক্সা জিলাৰ বাঘাজানীৰ নিজা বাসগৃহত সম্পূৰ্ণ বড়ো ৰীতি-নীতিৰে সম্পন্ন হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। পৰিয়ালৰ তৰফৰ পৰা শিল্পীগৰাকীয়ে শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰে বুলি জানিব পৰা হৈছে। আজি পুৱাৰ ভাগত শিল্পীগৰাকীৰ নশ্বৰদেহ বাক্সাৰ লাওখাটা বাঘাজানীৰ বাসগৃহলৈ লৈ যোৱা হৈছিল। মৃত্যুৰ সময়ত ফেইলাও বসুমতাৰীৰ বয়স ৫৫ বছৰ আছিল। শিল্পীগৰাকীয়ে দীৰ্ঘদিন ধৰি যকৃৎ ৰোগত আক্ৰান্ত হৈ আছিল। ফেইলাও বসুমতাৰীয়ে অভিনয়ৰ সমান্তৰালকৈ সংগীতো চৰ্চা কৰিছিল।

০০০০০

সমাপ্ত